# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 30-03-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::

১। রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰত্ন সন্মানসমূহ প্ৰদান কৰিব।

২। বিদেশমন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডমিত্ৰো কুলেবাই কালি নতুন দিল্লীত ৰাছিয়া-ইউক্ৰেইনৰ সংঘৰ্ষ আৰু ইয়াৰ ব্যাপক প্ৰভাৱ সম্পৰ্কে আলোচনা কৰে।

৩। অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন।

৪। ভাৰতীয় নৌসেনাই সামুদ্ৰিক ডকাইতিৰ এটা প্ৰচেষ্টা ব্যৰ্থ কৰিছে।

**আৰু**

৫। ভাৰতৰ এন চিক্কি ৰেড্ডী আৰু বি সুমীত কুমাৰে মাড্ৰিড স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ০০০০০

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰত্ন সন্মানসমূহ প্ৰদান কৰিব। প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিং আৰু পি ভি নৰসিংহ ৰাও, বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ আৰু বিশিষ্ট বিজ্ঞানী এম এছ্ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰা হ'ব। প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা এল কে আদৱানীকো দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰা হ'ব।

০০০০০

বিদেশমন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডমিত্ৰো কুলেবাই কালি নতুন দিল্লীত ৰাছিয়া-ইউক্ৰেইনৰ সংঘৰ্ষ আৰু ইয়াৰ ব্যাপক প্ৰভাৱ সম্পৰ্কে আলোচনা কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয় যে, তেওঁ পাৰস্পৰিক স্বাৰ্থজড়িত গোলকীয় আৰু আঞ্চলিক বিষয়সমূহক লৈ আলোচনা কৰে। তেওঁ লগতে ইউক্ৰেইনৰ সৈতে দ্বিপাক্ষিক সহযোগিতাকে ধৰি সামগ্ৰিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা পুনৰ প্ৰকাশ কৰে। ড০ জয়শংকৰে কয় যে, ইউক্ৰেইনৰ বিদেশমন্ত্ৰীগৰাকীৰ ভ্ৰমণে দেশখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ সম্যক ধাৰণা লাভ কৰাৰ সুযোগ প্ৰদান কৰিছে। ড০ জয়শংকৰে কয় যে, শেহতীয়াকৈ তেওঁলোকৰ মাজত বিভিন্ন পৰ্যায়ত আলোচনা অনুষ্ঠিত হৈছে আৰু এই আলোচনাৰ পৰা দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কই গতি লাভ কৰিছে।

বিদেশ মন্ত্ৰালয়ে কৈছে যে, বিদেশ মন্ত্ৰীদ্বয়ৰ মাজৰ বৈঠকত গঠনমূলক আলোচনা আৰু ভাৰত আৰু ইউক্ৰেইনৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ ভিতৰত বাণিজ্য আৰু বিনিয়োগ, বিজ্ঞান আৰু প্ৰযুক্তি, প্ৰতিৰক্ষা, কৃষি, স্বাস্থ্য, সংস্কৃতি আৰু শিক্ষা অন্যতম। দুয়োগৰাকী মন্ত্ৰীয়ে বাণিজ্য, অৰ্থনীতি, প্ৰযুক্তি, ঔদ্যোগিক, বৈজ্ঞানীক আৰু সাংস্কৃতিক বিষয়ক ভাৰত-ইউক্ৰেইন আন্তঃ চৰকাৰী আয়োগ আৰু ইয়াৰ কাৰ্যগোটসমূহৰ সৈতে জড়িত বিষয়বোৰক লৈও সুকীয়াকৈ আলোচনা কৰে। দুয়ো পক্ষই চলিত বৰ্ষত আন্তঃ চৰকাৰী কমিটীৰ সপ্তম বৈঠক আয়োজিত কৰাৰ সপক্ষে মত পোষণ কৰে। মন্ত্ৰালয়ে কয় যে, আঞ্চলিক আৰু গোলকীয় বিষয়ক লৈ মত বিনিময়ৰ সময়ত ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত অব্যাহত থকা সংঘৰ্ষ আৰু ইয়াৰ শান্তিপূৰ্ণ সমাধানৰ বিষয়ক লৈ বিশদভাৱে আলোচনা হয়।

ooooo

অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। এই পৰ্যায়ত যোৰহাট, লখিমপুৰ, ডিব্ৰুগড়, শোণিতপুৰ আৰু কাজিৰঙাত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৩৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। বিজেপিয়ে ৫খন আসনৰ আটাইকেইখনতে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কংগ্ৰেছে ৪খন আসনত প্ৰাৰ্থী থিয় কৰোৱাইছে আৰু ডিব্ৰুগড়ত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াইছে। এই নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, কামাখ্যা প্ৰসাদ তাছা আৰু তপন কুমাৰ গগৈ, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত কুমাৰ দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে কালি পাঁচ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে। দলে ৰাজস্থানৰ ভিলৱাৰাৰ পৰা চি পি যোশীক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ বিপৰীতে দামোদৰ গুৰজাৰক ৰাজছামণ্ড লোকসভা আসনখনৰ পৰা প্ৰাৰ্থী হিচাপে থিয় কৰোৱাইছে।

ooooo

ভাৰতীয় নৌসেনাই সামুদ্ৰিক ডকাইতিৰ এটা প্ৰচেষ্টা ব্যৰ্থ কৰিছে। ইৰাণৰ অল কম্বৰ 786 নামৰ মাছধৰা জাহাজখনক জলদস্যুই ঘেৰি ধৰা বুলি সম্ভেদ লাভ কৰাৰ পিছত ভাৰতীয় নৌসেনাৰ দুখন জাহাজ ঘটনাস্থলীলৈ প্ৰেৰণ কৰা হয়। জলদস্যুৰ কৱলত পৰাৰ সময়ত ইৰাণৰ মাছধৰা জাহাজখন ছকোত্ৰাৰ পৰা প্ৰায় ৯০ ন'টিকেল মাইল দক্ষিণ-পশ্চিমত আছিল আৰু ৯জন সশস্ত্ৰ জলদস্যুই জাহাজখনত আৰোহণ কৰা বুলি জানিব পৰা গৈছে। আমালৈ বাতৰি অহাৰ পৰলৈকে ইৰাণৰ জাহাজখনৰ চালকদলৰ সদস্যসকলক ৰক্ষা কৰাৰ বাবে ভাৰতীয় নৌসেনাৰ অভিযান অব্যাহত আছিল।

ooooo

আয়কৰ বিভাগে কংগ্ৰেছক এহেজাৰ ৮২৩ কোটি টকা পুনৰ উদ্ধাৰৰ এখন নতুন জাননী প্ৰেৰণ কৰিছে। ইপিনে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই এই বুলি অভিযোগ কৰিছে যে, প্ৰধান বিৰোধী দলটোক হাৰাশাস্তি কৰাৰ বাবে তথ্য প্ৰযুক্তি বিভাগক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীখাৰ্গেই কয় যে, আয়কৰ বিভাগে ইতিমধ্যেই কংগ্ৰেছৰ একাউণ্টৰ পৰা ১৩৫ কোটি টকা উলিয়াইছে। এই ধনখিনি আছিল দলে বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা পুঁজি।

আনহাতে বিজেপিয়ে কৈছে যে, আয়কৰ বিভাগৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কংগ্ৰেছে তেওঁলোকৰ নিজৰেই হতাশাক প্ৰতিফলিত কৰিছে। নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি দলৰ মুখপাত্ৰ ছৈয়দ জাফৰ ইছলামে কয় যে, কৰ দাখিল অথবা আপীল কৰাৰ সঠিক প্ৰক্ৰিয়া মানি চলাৰ ক্ষেত্ৰত কংগ্ৰেছ বিফল হৈছে। তেওঁ কয় যে, পঞ্জীয়নভুক্ত যিকোনো ৰাজনৈতিক দলৰ বাবে প্ৰতিবছৰে আয়কৰ ৰিটাৰ্ণ দাখিল কৰাটো বাধ্যতামূলক। কংগ্ৰেছে চৰ্তাৱলীসমূহ উলংঘা কৰা বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, দলটোৱে অকল আয়কৰ ৰিটাৰ্ণ দাখিল কৰাৰ পলম কৰায়েই  নহয় বৰং তেওঁলোকৰ আয়ো ভুলকৈ উপস্থাপন কৰিছে।

ooooo

কেন্দ্ৰীয় অনুসন্ধান ব্যুৰো চি বি আই-এ যোৱা ৫ জানুৱাৰীত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ এটা দলক কৰা আক্ৰমণৰ ঘটনা সন্দৰ্ভত পশ্চিমবংগৰ উত্তৰ ২৪ পৰগনা জিলাৰ সন্দেশখালী অঞ্চলৰ চাৰেবিয়াৰ ১৩জন লোকলৈ জাননী প্ৰেৰণ কৰিছে। এই ঘটনা সন্দৰ্ভত তৃণমূল কংগ্ৰেছৰ নেতা শ্বেখ ছাহজাহানক  চি বি আই-এ ইতিমধ্যেই গ্ৰেপ্তাৰ কৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলত আজিৰে পৰা বিজুলী-ঢেৰেকণিৰে ধুমুহা বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে। ওড়িশা, পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চল, ঝাৰখণ্ড আৰু বিহাৰৰ কেতবোৰ ঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। এই সময়ছোৱাত জম্মু-কাশ্মীৰ, গিলগিট, মুজাফ্‌ফৰাবাদ, হিমাচলপ্ৰদেশ আৰু উত্তৰাখণ্ডৰ ঠাই বিশেষে বৰষুণ আৰু তুষাৰপাত হোৱাৰ সম্ভাৱনা আছে।

ooooo

ভাৰতৰ এন চিক্কি ৰেড্ডী আৰু বি সুমীত কুমাৰে মাড্ৰিড স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। চিক্কি ৰেড্ডী আৰু সুমীত কুমাৰৰ যুটিটোৱে কালি কোৱাৰ্টাৰ ফাইনেলত ইন্দোনেছিয়াৰ লীছা অয়ু কুসুমাৱতী আৰু ৰেহান কুশ্বাৰজন্তোৰ যুটিটোক ২১-১৪, ১১-২১, ১৭-২১ গেমত পৰাস্ত কৰে। ভাৰতীয় যুটিটো আজি ছেমি ফাইনেলত ইন্দোনেছিয়াৰ ৰিন'ভ ৰিৱাল্ডী আৰু পিঠামেণ্টাৰীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অৱশ্যে ভাৰতৰ আগশাৰীৰ খেলুৱৈ পি ভি সিন্ধু প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ পৰা বাহিৰ হৈছে। সিন্ধু কালি প্ৰতিযোগিতাৰ এখন খেলত থাইলেণ্ডৰ ছুপানিন্দা কাটেথঙৰ হাতত ২৬-২৪, ১৭-২১, ২০-২২ গেমত পৰাজিত হয়। ধ্ৰুৱ কপিলা আৰু এম আৰ অৰ্জুনৰ ভাৰতীয় পুৰুষ যুটিটো ডাবলছৰ কোৱাৰ্টাৰ

ফাইনেলত মালয়েছিয়াৰ জি আৰ আৰিফ আৰু ৰয় কিং য়াপৰ হাতত ১৯-২১, ২৩-২১, ১৭-২১ গেমত পৰাভূত হয়। একেদৰে মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ তনিশা ক্ৰাষ্টো আৰু অশ্বিনী পোনাপ্পাৰ যুটিটো টাইৱানৰ লি ছিয়া ছিন আৰু টেং চুনৰ হাতত ১৩-২১, ১৯-২১ গেমত পৰাভূত হয়।

ooooo

কলকাতা নাইট ৰাইদাৰ্ছে যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি  বিৰাট কোহলীৰ ৮৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮২ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা দলে ১৬ অভাৰ আৰু ৫টা বলত ৩টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। কলকাতাৰ হৈ ভেংকটেশ আয়াৰে ৩০টা বলত ৫০ ৰান কৰে। কলকাতা নাইট ৰাইদাৰ্ছে এইবাৰৰ আই পি এলৰ এতিয়ালৈ খেলা দুখন মেচত দুয়োখনতে জয়ী হৈছে। আনহাতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৩খন খেলৰ এখনত জয়ী হৈছে। কলকাতা নাইট ৰাইদাৰ্ছ কালিৰ জয়ৰ সুবাদত প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উন্নীত হৈছে। ইয়াৰ বিপৰীতে ৰাজস্থান ৰয়েলছ তৃতীয় আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ চতুৰ্থ স্থানলৈ অৱনমিত হৈছে। চেন্নাই ছুপাৰ কিংছ পইণ্ট তালিকাৰ শীৰ্ষত আছে।

ooooo

সমাপ্ত